# ECHO OF HIS CALL

ASSAMESE

ECHO OF HIS CALL 1969-2019 GOLDEN JUBILEE
REACHING NATIONS

## তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি

**India's National Spiritual Newspaper**

₹ 10/-

Published monthly in ENGLISH, TAMIL, MALAYALAM, TELUGU, HINDI, KANNADA, MARATHI, BENGALI, GUJARATI, ODIYA, ASSAMESE, PUNJABI, NEPALI, URDU, SINHALA & AFRIKAN

Editor : S. SAM SELVA RAJ | 16 Languages | Associate Editor : Sis. BORNALI THAPA RAJ

Vol. XXIII | MARCH 2023 | No. 9


### পবিত্ৰ বাইবেল

এই অংশটি অনুগ্ৰহ কৰি মুখস্থ কৰক

প্ৰভূৰ প্ৰশংসা হওঁক !

**গীতমালা ৬৬ ঃ ১২-২০**

১২। তুমি আমাৰ মূৰৰ ওপৰেদি অশ্বাৰোহী গমন কৰাইছিলা, আমি অগ্নি আৰু জলৰ মাজেদি গমন কৰিছিলো, কিন্তু তুমি আমাক ঐশ্বৰ্যশালী ঠাইলৈ উলিয়াই আনিলা।

১৩। মই হোম বলিৰে তোমাৰ গৃহত সোমাম।

১৪। দুখৰ কালত মোৰ ওঁঠেৰে উচ্চাৰণ কৰা আৰু মোৰ মুখেৰে প্ৰকাশ কৰা মোৰ সংকল্পবোৰ মই তোমালৈ সিদ্ধ কৰিম।

১৫। মেৰ-ছাগৰূপ ধূপেৰে সৈতে মই তোমাৰ উদ্দেশ্যে হৃষ্টপুষ্ট হোমবলি উৎসৰ্গ কৰিম, ছাগে সৈতে ভতৰাকো বলিদান কৰিম।

১৬। হে ঈশ্বৰলৈ ভয় ৰাখোতাবিলাক, আহা, শুনা, তেওঁ মোৰ প্ৰাণৰ নিমিত্তে যি কৰিলে, মই তাক বৰ্ণনা কৰো।

১৭। মই নিজ মুখেৰে তেওঁৰ আগত প্ৰাৰ্থনা কৰিলো আৰু মোৰ জিভাৰ দ্বাৰাই তেওঁক গৌৰৱান্বিত কৰা হ'ল।

১৮। যদি মই অন্তঃকৰণত অধৰ্ম মানিলোহেঁতেন, তেন্তে প্ৰভূৱে নুশুনিলেহেতেন।

১৯। কিন্তু স্বৰূপেই ঈশ্বৰে শুনিলে, তেওঁ মোৰ প্ৰাৰ্থনাৰ স্বৰলৈ কাণ পাতিলে।

২০। ঈশ্বৰ ধন্য, তেওঁ মোৰ প্ৰাৰ্থনা অগ্ৰাহ্য নকৰিলে আৰু মোৰ পৰা নিজ দয়াও দূৰ নকৰিলে।

# আপোনাৰ শোক আনন্দত পৰিণত হ'ব !

(যোহন ১৬ ঃ২০)

**YOUR SORROW WILL BE TURNED INTO JOY!**

কেন্দ্ৰ মণ্ডলীত এচ.চাম ছেলভা ৰাজে দিয়া বাৰ্তা

আপোনাৰ শোক আনন্দত পৰিণত হ'ব !
আপোনাৰ শোক আৰু চকুপানী গুছি যাব,
মোৰ পুত্ৰ হতাশ নহ'বা, মোৰ কন্যাও হতাশ নহ'বা
আমাৰ যীচুৱে তোমাক পৰিত্যাগ নকৰিব।

১। অতীতৰ কথা ভাবি নিৰাশ নহ'ব,
অতীতত যি যি ঘটিল পাহৰি যাওক,
ঈশ্বৰে এটা নতুন কাৰ্য কৰিব, আনকি আপুনি আজিয়েই, আজিয়েই ইয়াক দেখিব !
নিৰাশ নহ'ব, হয়, নিৰাশ নহ'ব, আমাৰ প্ৰভু ঈশ্বৰে আপোনাক পৰিত্যাগ নকৰিব,

২। ঈশ্বৰে ভগ্ন হৃদয়ক সুস্থ কৰে, তেওঁ ক্ষত-বিক্ষত হোৱা জনক সহায় কৰে,
ঘা বোৰক বান্ধে, আমাৰ চকুলো মুচি পেলায়, হয়, আপোনাৰ চকুলো মচে,
নিৰাশ নহ'ব, হতাশ নহ'ব, ঈশ্বৰে আপোনাক পৰিত্যাগ নকৰিব।

৩। আপোনালোকৰ শক্তিৰ অতিৰিক্ত পৰীক্ষা ঘটিব নিদিব, আপোনালোকে যেন সহিব পাৰিব,
পৰীক্ষাৰ সৈতে সাৰিবলৈ তেওঁ উপায়ো কৰি দিব,
হয়, উপায়ো কৰি দিব ! নিৰাশ নহ'ব, হতাশ নহ'ব, তেওঁ আপোনাক পৰিত্যাগ নকৰিব।

*- পালক এচ. যে. বেৰকমাঞ্চ*


ইখ অফ হীজ কল



ইউ টিউব খ্ৰীষ্টিয়ান চেনেল

পালক, এচ, চাম, ছেলভা ৰাজৰ সৈতে প্ৰাৰ্থনা কৰিবলৈ আপুনি এটা সুযোগ পাব।

তামিল দেওবৰীয়া উপাসনা পুৰা ৮-৩০ বজাত

# তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি (১৯৬৯ - ২০১৯ - সোণালী জয়ন্তী বৰ্ষ)

## আপোনালোকৰ প্ৰিয় ভাইজনৰ পৰা ...





### আমাৰ মিশ্বন নীতি

আমি এই সমকালীন বংশলৈ পৌৰাণিক আৰু প্ৰথম শতিকাৰ পাঁচনিসকলৰ স্পষ্ট শিক্ষাবোৰক বিস্তাৰ কৰা আৰু শিক্ষা দিয়া উচিত। এইটোৱেই আজিৰ প্ৰয়োজন।


**CHIEF EDITOR**
Angeline Selvakumari Henry, M.A., M.Ed.

**MANAGING EDITOR**
Pastor Alex Samson Sam, B.Th., M.Div.

**ADMINISTRATION**
Bro. N. Prakasam, M.A., General Manager

**EDITORIAL BOARD**
Sis. Jesy Veena Sam
Sis. Serena Bevin, M.A., M.Phil., B.Ed.
Dr. A. Richard Samuel, M.A., Ph.D.
Rev. Dr. K.R. Rajasekaran

**EDITOR, PUBLISHER & PRINTER**
Pastor S. SAM SELVA RAJ
Echo of His Call Printers
10, Mohammed Abdullah 2nd Street,
Chepauk, Chennai- 600 005, India.
Phone : (+ 91- 44) 2852 8282, 2852 9293, 2854 7766
Cell : (+91) 98410 71852, 95661 31858

**CORE LEADERS**
Bro. K. Puratchivendan
Bro. A. Edward Durai
Bro. A. Alvin
Bro. K. Abraham
Sis. Dhanalakshmi Chinnaiah

**E.mail ID**
sam@echoofhiscall.org
biblecor@yahoo.co.in

**WEBSITES**
www.echoofhiscall.org
www.stpaulsmatriculation.com

**YOUTUBE CHANNEL**
Echo of His Call


## ‘যিহোৱা মোৰ ৰক্ষক ; মোৰ অভাৱ নহ’ব”
-গীতমালা ২৩ ঃ১

‘ প্ৰভুত মোৰ প্ৰিয়জন,

আমাৰ প্ৰভু আৰু ত্ৰাণকৰ্তা যীচু খ্ৰীষ্টৰ নামত আমি আপোনালোকক প্ৰেমেৰে শুভেচ্ছা জনাইছো।

আমাৰ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ আলোচনীৰ মাধ্যমেৰে আটাই লোকবিলাকে ঈশ্বৰৰ আশীৰ্বাদ পোৱাৰ বাবে আমি আমাৰ ঈশ্বৰক মহিমামণ্ডিত কৰিছো। আমাৰ নতুনকৈ আৰম্ভ কৰা ইউটিউৱ চেনেলত ৫ মিনিট প্ৰভুৰ বাৰ্তা পুৱা বেলাত মুক্তি পোৱাৰ দ্বাৰাই আপুনি আশীৰ্বাদ পাইছে। আমি যিহকে পাৰিছো তাকে কৰিছো যাতে আপুনি ইয়াৰ ফলবোৰ লাভ কৰিব।

যিদৰে দিনবোৰ অতিবাহিত হৈ গৈ আছে প্ৰভুৰ পৰিচৰ্য্যাও বৃদ্ধি পাই গৈ আছে। মানুহবিলাকে আচৰিতভাৱে আশীৰ্বাদ পাইছে। কিন্তু প্ৰথম শতিকাৰ মণ্ডলীৰ পাঁচনি বিলাকলৈ ঘটাৰ দৰে আমিও দুখ-কষ্টৰ সন্মুখীন হৈ আছো। বিভিন্ন পৰিচৰ্য্যাসমূহৰ যোগেদি আৰু শুভবাৰ্তাৰ যোগেদি আমি চয়তানৰ দূৰ্গক ধ্বংস কৰি আছো, তাত কোনো সন্দেহ নাই যে চয়তানে ক্ৰোধিত হৈছে।

কিন্তু আমি নিৰাশ হোৱা নাই। আমি কোনো আপোচ নকৰাকৈ প্ৰথম পাঁচনি সকলৰ দৰে প্ৰচাৰ কৰি আছো আৰু শিক্ষা দি আছো। আমি আপোনালোকক আমাৰ বাবে প্ৰাৰ্থনা কৰিবলৈ অনুৰোধ জনাইছো। যিকোনো উপায়ে আমাক সহায় কৰিবলৈ আগবাঢ়ি আহিবলৈ আমি আপোনালোকক আদৰণি জনাইছো। আপোনালোকৰ সহায় আৰু সহভাগিতা আমাৰ প্ৰয়োজন হৈছে।

এই মাহত আৰু অহা মাহত আমি অনেক ঠাইলৈ যাত্ৰা কৰিবলৈ সিদ্ধান্ত লৈছো। দয়া কৰি আপোনালোকৰ প্ৰাৰ্থনাৰ সময়ত আমাক সোঁৱৰণ কৰক। আত্মৰক্ষাৰ বাবে প্ৰকৃত বোজা লৈ কৰা পৰিচৰ্য্যাত প্ৰকৃততে কষ্টকৰ হয়। আমাৰ ঈশ্বৰৰ দাসসকলৰ কিছুমান পৰিয়াল ৰোগত ভুগি আছে। আমি তেওঁলোকক আমাৰ প্ৰাৰ্থনা আৰু প্ৰেমৰ সৈতে সান্ত্বনা দিছো।

আমি আপোনালোকৰ পত্ৰ আৰু পৰামৰ্শ পাবলৈ আশা কৰো। আমিও আপোনালোকৰ বাবে প্ৰাৰ্থনা কৰো। তাৰোপৰি, আমি গুৰুত্ব সহকাৰে আপোনালোকৰ প্ৰাৰ্থনাৰ অনুৰোধবোৰক লৈছো আৰু আপোনলোকৰ বাবেপ্ৰাৰ্থনা কৰো। ঈশ্বৰৰ প্ৰেমৰ সৈতে আমি আপোনালোকক প্ৰেম কৰো। আমাক নিয়মীয়াকৈ দান-বৰঙণি দি সহায় কৰা ভাই আৰু ভনীসকলক ঈশ্বৰে পুৰস্কৃত কৰক ! আমেন।

**খ্ৰীষ্ট যীচুত আপোনালোকৰ সেৱক,**

**পালক, এচ, চাম ছেলভা ৰাজ আৰু এলেক্স চেমচন চাম।**

(+91) 98412 71858 / 98410 71858, E.mail : samselvaraj333@gmail.com

---

এই স্বৰ্গীয় বাৰ্তাটো ঈশ্বৰে আপোনাক দিয়ে !

যোৱা কেইদিনত মই বিভিন্ন ৰং আৰু জাতিৰ মানুহক লগ পোৱাৰ সুযোগ পালো। তেওঁলোকৰ মাজত মই বিদ্বানসকলক, বিখ্যাত ডাক্টৰসকলক, ৰাজনীতিত ক্ষমতা থকা লোকসকলক, অফিচাৰসকলক, শিল্পপতিসকলক, ধনী লোকসকলক, পৰামৰ্শদাতাসকলক, সাধাৰণ ও মধ্যবিত্ত লোকসকলক, কম শিক্ষিত, ঈশ্বৰক ভয় কৰা লোক আৰু ঈশ্বৰবিহীন লোকসকলক, ছাত্ৰ-

ছাত্ৰীসকলক, পৰ্যটকসকলক, তীৰ্থযাত্ৰী সকলক, বণিক সকলক, অভিনেতা সকলক, লেখক সকলক, নিজকে বিশ্বাসী আৰু ঈশ্বৰৰ দাস বুলি কোৱা লোকসকলক লগ পাইছিলো। মই একবাৰে বা আনভাৱে বিভিন্ন ধৰণৰ অসুবিধা বা সংগ্ৰামৰ অভিজ্ঞতা পালো। যাৰ বাবে মানুহে বিভিন্ন তীৰ্থকেন্দ্ৰলৈ ঈশ্বৰক বিচাৰি যায়।

কিছুমান উৎসৰ্গ কৰা মানুহে কেতিয়াবা তেওঁলোকে নজনা কামবোৰ কৰে। কিছুমান মানুহে বিভিন্ন তীৰ্থস্থানলৈ পৰিদৰ্শনৰ প্ৰস্তুতিৰ বাবে বহুত দিন ধৰি তপস্যা কৰে। কিছুমানে প্ৰাৰ্থনাৰ সহায়ৰ বাবে আমাৰ ওচৰলৈ আহে। মই তুচ্ছ বা উপহাস কৰা নাই। কিন্তু আমি তেওঁলোকত উত্তেজনা আৰু শূণ্যতাক দেখিব পাৰোনে? ভাল মানুহৰ বাবে, ই এক পৰম্পৰা আৰু সংস্কৃতি হয় যিয়ে প্ৰকৃত উদ্ধাৰ পোৱাত এটা বাধাৰ দৰে থিয় দিয়ে।

এই পৃথিৱীত কষ্ট আৰু আলোড়নৰে পৰিপূৰ্ণ হোৱা হেতুকে, কেৱল কিছুমান মানুহে ঈশ্বৰৰ ৰাজ্যৰ বিষয়ে আৰু ইয়াৰ বিস্তৰৰ বিষয়ে চিন্তা কৰে, পৃথিৱীৰ মানুহৰ অভ্যাস আৰু পৰম্পৰাৰ পৰা নিজকে পৃথকে ৰাখে আৰু তেওঁলোকৰ পবিত্ৰতাক ধৰি ৰাখি শান্তি আৰু আনন্দত থাকে। ইয়াৰ কাৰণটো কি? এইটো হৈছে আমাৰ প্ৰভু যীচু খ্ৰীষ্টৰ পুনৰুত্থান, যিটোৱে আনকি সাধাৰণ মানুহৰ জীৱনতো কাৰ্য কৰে। আমাৰ প্ৰত্যেকেই এই অভিজ্ঞতাক পাব লাগে।


যেতিয়া এজন মানুহৰ জীৱনত আমাৰ প্ৰভু যীচু খ্ৰীষ্টৰ পুনৰুত্থানৰ শক্তিয়ে কাৰ্য কৰে যদিও তেওঁ অনৰ্থক মানুহ তেওঁ মূল্যৱান মানুহ হৈ যাব। আৰু যেতিয়া এই শক্তিয়ে এজন দীৰ্ঘস্থায়ী অসুস্থ ব্যক্তিৰ জীৱনত হস্তক্ষেপ কৰে, তেওঁৰ ৰোগো গুচি যাব। যীচুৱে কৈছিল, “যি কোনোৱে মোক বিশ্বাস কৰে, তেওঁ মৰিলেও জীয়াই থাকিব।”- যোহন ১১ঃ২৫। আনকি যদিও এজন ব্যক্তিৰ অংগ কাৰ্য নকৰে, যেতিয়া তেওঁ প্ৰভু যীচুখ্ৰীষ্টক তেওঁৰ ব্যক্তিগত জীৱনত ত্ৰাণকৰ্তাৰূপে গ্ৰহণ কৰে আৰু তেওঁক ঈশ্বৰৰ পুত্ৰ বুলি গ্ৰহণ কৰে আৰু নিজ পাপ স্বীকাৰ কৰে, তেওঁ ঈশ্বৰৰ অতি প্ৰাকৃতিক আৰোগ্য লাভ কৰিব আৰু তেওঁ এজন সাধাৰণ ব্যক্তিৰ দৰে থাকিব পাৰিব।

# লাজাৰ আৰু যীচু খ্ৰীষ্ট!

লাজাৰ নামৰ যীচুৰ বন্ধু এজনৰ মৃত্যু হৈছিল, কিন্তু প্ৰভুযীচু খ্ৰীষ্টই লাজাৰক মৃত্যুৰ পৰা তুলিছিল। যি কি নহওক বৃদ্ধ হোৱাৰ পাছত তেওঁৰ মৃত্যু হৈছিল। কিন্তু প্ৰভু যীচু খ্ৰীষ্ট যিজনৰ ক্ৰুচত মৃত্যু হৈছিল পুনৰ তৃতীয় দিনা তেওঁ জীয়াই উঠিছিল। যি মানুহ বিলাকে নিজকে ঈশ্বৰৰ অৱতাৰ বুলি দাবী কৰে তেওঁলোকৰো মৃত্যু হয়। যি মৈদামত তেওঁলোকৰ মৰা শ'ক মৈদাম দিয়া হৈছে এতিয়াও সেই মৈদামবোৰ বন্ধ হৈ আছে। কিন্তু প্ৰভু যীচু খ্ৰীষ্টৰ মৈদাম এতিয়াও মেলা হৈ আছে। ঐতিহাসিকভাৱে ইয়াৰ প্ৰমাণ আছে।

ৰোমান কৰ্তৃ পক্ষবিলাকে আৰু ধৰ্মধামৰ কতৃপক্ষবিলাকে যীচুৰ মৈদামক ৰক্ষা কৰিবৰ বাবে সম্পূৰ্ণ ব্যৱস্থা লৈছিলঃ বাইবেলত লিখা আছে ঃ তাৰ পাছত তেওঁলোক গৈ শিলচটাত মোহৰ মাৰিলে আৰু এদল চন্তৰীক মৈদাম ৰাখিবলৈ দায়িত্ব দিলে। মথি- ২৭ঃ৬৬। কিন্তু প্ৰভু যীচু খ্ৰীষ্ট তৃতীয় দিনা জী উঠিলে (মথি ২৮ ঃ ১-৮)।

বিশ্ৰামবাৰ পাৰ হৈ, সপ্তাহৰ প্ৰথম দিন ওচৰ চাপিল, মগ্‌দলীনী মৰিয়ম আৰু আন মৰিয়মে মৈদাম চাবলৈ গ'ল। যদিও প্ৰভু যীচু খ্ৰীষ্টই ইতিমধ্যে তেওঁৰ শিষ্যবিলাকক কৈছিল যে তেওঁ তৃতীয় দিনত মৃত্যুৰ পৰা জী উঠিব আৰু যিজনে তেওঁলোকৰ লগত ৩.৫ বছৰ ধৰি আছিল, তেওঁলোকৰ লগত পৰিচৰ্য্যা কৰিছিল, তেওঁলোক এতিয়া ঘৰতে আছে। তেওঁলোকে প্ৰভুক তেওঁলোকৰ প্ৰেম দেখুৱাব নোৱাৰিলে। তেনে কৰাৰ বাবে পাছত তেওঁলোকে দুখ কষ্ট পালেহেঁতেন। কিন্তু যীচুৱে তেওঁলোকক দৰ্শন দিলে, সান্ত্বনা দিলে, শক্তিশালী পাঁচনিলৈ পৰিৱৰ্তন কৰিলে আৰু তেওঁলোকৰ শোকক




**Statement about ownership and other particulars about the Newspaper Echo of His Call (Assamese) - Form IV (See Rule 8)**

| | | |
|---|---|---|
| 1. Place of Publication | : | **New No. 8 & 10, Old No. 18 & 19, Mohammed Abdullah 2nd Street, Chepauk, Chennai - 600 005.** |
| 2. Periodicity | : | **Monthly** |
| 3. Printer, Editor, Owner & Publisher | : | **S. Sam Selva Raj** (Same Address) |
| 4. Nationality | : | **Indian** |

I, **S. Sam Selva Raj** hereby declare that the particulars given above are true to the best of my knowledge and belief.

**March 2023** **S. Sam Selva Raj.**

আনন্দত পৰিৱৰ্তন কৰিলে।

প্ৰিয় বন্ধু, যদিও আপুনি বিভিন্ন সময়ত আৰু বিভিন্ন দিশত প্ৰভুৰ সোৱাদ লৈছে, তথাপি আপোনাৰ সৰু সন্দেহবোৰ, ইচ্ছাবোৰ আৰু মাংসৰ অভিলাষবোৰে আপোনাক প্ৰভুৰ প্ৰেমৰ পৰা দূৰলৈ লৈ গৈছে। নিৰাশ নহ'ব, আপোনাৰ ভুলবোৰক স্বীকাৰ কৰক আৰু পুনৰ যীচুৰ ওচৰলৈ আহক। আপোনাৰ শোক আনন্দত পৰিণত হৈ যাব।

## ঈশ্বৰৰ সন্তানসকললৈ সাৱধানবাণী!

মই আপোনালোকক কওঁ প্ৰয়াত পালক জি.সুন্দাৰামে মণ্ডলীলৈ দিয়া দুটা আদেশ যে কি দৰে তেওঁৰ সৈতে সহভাগিতাক ৰক্ষা কৰাৰ দ্বাৰাই প্ৰভুৰ অনুগ্ৰহক গ্ৰহণ কৰিব পাৰে।

ঈশ্বৰৰ যিকোনো দাসে বা প্ৰচাৰকে পৃথিৱীৰ যিকোনো প্ৰান্তত গৈ প্ৰভুৰ সেৱা কৰিব পাৰে। কিন্তু ৰছীৰ এটা সীমা তেওঁলোকে ককালত বান্ধিব লাগিব আৰু আনটো সীমাক ঈশ্বৰে আপোনাক দিয়া মণ্ডলীত বান্ধিব লাগিব। যদি দেওবাৰে আপোনাৰ পৰিচৰ্য্যা কৰিবলৈ নাথাকে, তেন্তে আমাৰ মণ্ডলীত যোগদান কৰক। আমাৰ সৈতে আৰাধনা কৰক, ধৈৰ্য্যৰে ঈশ্বৰৰ বাক্যক গ্ৰহণ কৰক আৰু পালন কৰক।

দ্বিতীয়তে, ঈশ্বৰৰ অনুগ্ৰহৰ দ্বাৰাই আমাৰ প্ৰত্যেকেই বেয়া চিন্তা, বেয়া অভ্যাস, বেয়া সম্পৰ্কৰ পৰা ৰক্ষা পৰিছো, কিন্তু আমি সাৱধান হোৱা উচিত যে যি পাপৰ পৰা আমি উদ্ধাৰ পাইছিলো পুনৰ সেই পাপ কৰিব নালাগে। কিয়নো সেই পাপে পুনৰ আমাক আক্ৰমণ কৰাৰ সম্ভাৱনা থাকে। সাৱধান হওক!

উদাহৰণস্বৰূপে, যদি আপুনি প্ৰভু যীচু খ্ৰীষ্টৰ অনুগ্ৰহৰ দ্বাৰাই আসক্ত হোৱাৰ পৰা উদ্ধাৰ পাইছে, তেন্তে আপুনি সেই উদ্ধাৰক সাৱধানেৰে ৰক্ষা কৰক। আপুনি এনে ঠাইৰ ওচৰলৈকো নাযাব বা টকা পোৱাৰ সুবিধা থাকিলেও নাযাব। আৰু আপুনি পুৰণি বন্ধুসকলৰ পৰা সম্পূৰ্ণকৈ চিন্তামুক্ত হৈ যাওক আৰু কেতিয়াও সম্পৰ্ক নাৰাখিব। যদি আপুনি আপোনাৰ সিদ্ধান্তত দৃঢ় হৈ থাকে, আপুনি জয়যুক্ত হ'ব আৰু সম্পূৰ্ণ আনন্দ পাব।

## মগদলীনী মৰিয়ম আৰু আন মৰিয়ম!



মগদলীনী মৰিয়ম, যি গৰাকীক যীচুৱে সাতটা ভুতৰ কবলৰ পৰা ৰক্ষা কৰিছিল। তেওঁ আন গৰাকী মৰিয়মৰ সৈতে মিলি যীচুক মৈদাম দিয়া ঠাইলৈ গৈছিল। তাত বৰ ভূমিকম্প হৈছিল, কিয়নো প্ৰভুৰ স্বৰ্গদূতে স্বৰ্গৰ পৰা নামি আহি



শিলটো বগৰালে আৰু তাৰ ওপৰতে বহিল (মথি ২৮:২)

প্ৰিয় ভাই আৰু ভনী, আপোনাৰ জীৱনত শিল-বাধা থাকিব পাৰে যাক কেতিয়াবা আপোনাৰ দ্বাৰাই বা বলৱান লোকৰ দ্বাৰাই বা ধনী লোকৰ দ্বাৰাই তাক বগৰাব নোৱাৰে। কিন্তু ভয় নকৰিব, ঈশ্বৰে য'ত কোনো পথ নাথাকে তেওঁ তাতেই পথ উলিয়াই, ই দূৰৱৰ্ত্তী ঠাইত নহ'ব পাৰে, ঈশ্বৰে তেওঁৰ স্বৰ্গদূত বিলাকক আপোনাক নিৰাপত্তা দিবলৈ আদেশ দিব, স্বৰ্গদূতবিলাকে আপোনাৰ বাবে কাৰ্য কৰি আছে, তেওঁলোকে আপোনাৰ আশীৰ্বাদবোৰক বন্ধ কৰি থোৱা শিলবোৰক বগৰাই দিব আৰু আপোনাক ঈশ্বৰৰ

৬ পৃষ্ঠাত চাওঁক


## নহিমিয়া বাইবেল সন্ধ্যা মহাবিদ্যালয়

চেপাক আৰু সন্তোষাপুৰম, চেন্নাই

মাধ্যম ঃ তামিল

যোৱা ৫৩ বছৰ ধৰি আন্তৰাষ্ট্ৰীয় জ্যেষ্ঠ পালকসকল আৰু খ্ৰীষ্টিয়ান নেতাসকলৰ দ্বাৰা অনুমোদন প্ৰাপ্ত! ATA

Regd. Candidate for Membership ATA NEHEMIAH BIBLE COLLEGE CHENNAI ★ ECHO OF HIS CALL ★ Estd. 1969

**প্ৰমাণ পত্ৰ পাঠ্যক্ৰম ঃ এবছৰীয়া**

**ডিপ্লমা ইন থিয়ল'জি ঃ দুবছৰীয়া**

অৰ্হতা ঃ দশম শ্ৰেণী উত্তীৰ্ণ বা অধিক

নামভৰ্তিৰ বাবে সোনকাল কৰক!

**Contact : The Chairman, Nehemiah Bible College.**

10, MOHAMMED ABDULLAH 2ND STREET, BELLS ROAD, CHEPAUK, CHENNAI - 600 005, INDIA.

Phone : (+91-44) 2852 8282, Cell : (+91) 98410 71852 / 95661 31858

E.mail : sam@echoofhiscall.org / Website : www.echoofhiscall.org

# প্ৰধান আজ্ঞাৰ অংশীদাৰসকল

GREAT COMMISSION PARTNERS
ECHO OF HIS CALL MINISTRIES
SINCE 1969

**বিলোৱা** (গালাতীয়া ৬ঃ২),
**সমৰ্থন আগবঢ়োৱা** (ৰোমীয়া ১২ঃ১৩) **আৰু**
**আগবাঢ়ি যোৱা** (২ তীমথিয় ১ ঃ ৬)

## প্ৰাৰ্থনাৰ অনুৰোধবোৰ

(অনুগ্ৰহ কৰি এই তালিকাখনি উলিয়াওক, ভাজ কৰক আৰু ইয়াক আপোনাৰ বাইবেলখনৰ ভিতৰত ৰাখক আৰু নিয়মীয়াকৈ প্ৰাৰ্থনা কৰক)



**প্ৰাৰ্থনা আৰু প্ৰশংসাৰ বিষয়সমূহ ঃ ২০২৩ চনৰ ১৯ মাৰ্চ পৰা ২০২৩ চনৰ ১৮ এপ্ৰিললৈ**

## ঈশ্বৰলৈ প্ৰশংসাৰ বিষয়সমূহ ...

মাৰ্চ ১৯ ঃ আমাৰ চেইন্ট পৌলচ মেট্ৰিকুশ্বেন স্কুল, নহিমিয়া বাইবেল কলেজ আৰু থিয়'ল'জিকেল যোগাযোগ পাঠ্যক্ৰম আৰু কাৰ্য্যক্ৰমবিলাকৰ বাবে।

মাৰ্চ ২০ ঃ যোৱা ১৬-০১-২০২৩ আয়োজিত আমাৰ মণ্ডলীৰ কৰ্মীসকলৰ সভাৰ বাবে।

মাৰ্চ ২১ ঃ আমাৰ ইক'অফ হিজ ক'লৰ ইউটিউৱ চেনেলৰ বাবে নতুন নতুন গ্ৰাহক যোগাযোগৰ দ্বাৰাই আশীৰ্বাদ।

মাৰ্চ ২২ ঃ আমাৰ কৰ্মীসকলৰ পৰিয়ালৰ ওপৰত তেওঁৰ আশীৰ্বাদ বৰষাই দিয়াৰ বাবে।

মাৰ্চ ২৩ ঃ যিকোনো মণ্ডলী নিৰ্বিশেষে যুৱক-যুৱতী আৰু শিশুসকলৰ মাজত জাগৰণৰ বাবে।

মাৰ্চ ২৪ ঃ ভিতৰুৱা অঞ্চলবিলাকত ঈশ্বৰৰ পৰিচৰ্য্যা কৰা মিছনেৰীসকল আৰু তেওঁলোকৰ পৰিয়ালৰ বাবে।

মাৰ্চ ২৫ ঃ আমাৰ জ্যেষ্ঠ পালক ভাৰত তথা বিদেশৰ বিভিন্ন ঠাইত কৃতকাৰ্য্যৰে পৰিদৰ্শন কৰাৰ বাবে।

মাৰ্চ ২৬ ঃ আমাৰ প্ৰাৰ্থনাৰ অংশীদাৰ সকল, বিশ্বাস অংশীদাৰ সকল, জীৱন অংশীদাৰসকল, গ্ৰাহক অংশীদাৰসকল, মহান আজ্ঞাৰ অংশীদাৰসকল আৰু তেওঁবিলাকৰ পৰিয়াল বৰ্গৰ ওপৰত আশীৰ্বাদ থকাৰ বাবে।

মাৰ্চ ২৭ ঃ ১৯৬৯ ৰ পৰা আমাৰ আলোচনী পৰিচৰ্য্যাৰ ওপৰত তেওঁৰ প্ৰচুৰ পৰিমাণৰ আশীৰ্বাদৰ বাবে।

মাৰ্চ ২৮ ঃ আমাৰ শুভবাৰ্ত্তাৰ ছপাশাল সুদক্ষ কৰ্মীসকল আৰু একেৰাহে চলি থকাৰ বাবে।

মাৰ্চ ২৯ ঃ আমাৰ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ সহকাৰী সম্পাদকসকল আৰু তেওঁৰ পৰিয়ালৰ বাবে।

মাৰ্চ ৩০ ঃ মিছনেৰীসকললৈ প্ৰাৰ্থনাৰ সহায় আৰু আৰ্থিক সহায় যোগোৱাৰ বাবে।

মাৰ্চ৩১ ঃ গোটেই পৃথিৱীত বাইবেল আৰু খ্ৰীষ্টিয়ান পত্ৰিকা ছপা কৰা লোকসকলৰ অভাৱবোৰ পূৰ্ণ কৰাৰ বাবে।

এপ্ৰিল ১ ঃ যি অংশীদাৰসকলে তেওঁলোকৰ ব্যক্তিগত প্ৰয়োজনীয় বস্তুবোৰৰ মাজতো আমালৈ আৰ্থিক সহায় আগবঢ়োৱাৰ বাবে।

এপ্ৰিল ২ ঃ আমাৰ জ্যেষ্ঠ পালক এচ.চাম ছেলভা ৰাজ আৰু তেওঁৰ পৰিয়ালবৰ্গক স্বৰ্গীয় নিৰাপত্তা আৰু সুস্বাস্থ্যৰ বাবে।

এপ্ৰিল ৩ ঃ প্ৰকৃত খ্ৰীষ্টিয়ান বিশ্বাসৰ ওপৰত ভিত্তি কৰি মিছনেৰীসকলৰ দ্বাৰাই আৰম্ভ হোৱা স্কুলবিলাকৰ সৈতে পৃথিৱীক আশীৰ্বাদ কৰাৰ বাবে।

## অনুগ্ৰহ কৰি প্ৰাৰ্থনা কৰক...

এপ্ৰিল ৪ ঃ পৃথিৱীৰ আটাই মণ্ডলীবিলাকৰ জাগৰণ বাবে।

এপ্ৰিল ৫ ঃ অনাকাংক্ষিত প্ৰাকৃতিক দুৰ্যোগৰ পৰা ৰক্ষা পাবলৈ।

এপ্ৰিল ৬ ঃ আমাৰ কেন্দ্ৰীয় আৰু শাখা- মণ্ডলীবিলাকত বিশ্বাসী আৰু তেওঁলোকৰ পৰিয়ালবৰ্গৰ কল্যাণৰ বাবে।

এপ্ৰিল ৭ ঃ আমাৰ কেন্দ্ৰীয় আৰু শাখা মণ্ডলীবিলাকত শূণ্য শুক্ৰবাৰ আৰু পুনৰুত্থানৰ উপাসনাৰ বাবে।

এপ্ৰিল ৮ ঃ আমাৰ নহিমিয়া বাইবেল কলেজৰ বাসগৃহ আৰু সন্ধ্যাবেলাৰ ছাত্ৰ-ছাত্ৰীৰ মাজত শৃংখলাবদ্ধতা আৰু উৎসৰ্গিতৰ বাবে।

এপ্ৰিল ৯ ঃ মাদ্ৰক দ্ৰব্যৰ প্ৰতি আসক্তি হোৱা শিশু তথা যুৱক-যুৱতীসকলৰ বাবে।

এপ্ৰিল ১০ ঃ গোটেই পৃথিৱীত শিশু আৰু যুৱবিলাকে বেয়া অভ্যাসৰপৰা ৰক্ষা পাবলৈ।

এপ্ৰিল ১১ ঃ আমাৰ চেইন্ট পৌলচ্ মেট্ৰিকুলেশ্বন স্কুলৰ দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে চৰকাৰী পৰীক্ষাত অৱতীৰ্ণ হ'বৰ বাবে।

এপ্ৰিল ১২ ঃ পৃথিৱীৰ পৰা শিশু নিৰ্যাতন গুচাই দিবলৈ।

এপ্ৰিল ১৩ ঃ আমাৰ চেইন্ট পৌলচ স্কুলত ২০২৩-২৪ ৰ শিক্ষাবৰ্ষৰ বাবে নতুন ছাত্ৰ-ছাত্ৰীৰ নামভৰ্ত্তিৰ বাবে।

এপ্ৰিল ১৪ ঃ অহা জুন মাহৰ ২০২৩ ৰ ৩ তাৰিখে নহিমিয়া বাইবেল কলেজৰ উপাধিকৰণ কাৰ্য্যসূচীৰ আয়োজন হ'ব।

এপ্ৰিল ১৫ ঃ এই মাহত আমাৰ সকলো আৰ্থিক সহায়বোৰ পাবলৈ।

এপ্ৰিল ১৬ ঃ আমাৰ নহিমিয়া বাইবেল কলেজৰ ২০২৩-২৪ বৰ্ষৰ বাবে বাসগৃহ আৰু সন্ধ্যাবেলাৰ ছাত্ৰ-ছাত্ৰীৰ নামভৰ্ত্তিৰ বাবে।

এপ্ৰিল ১৭ ঃ বিভিন্ন পৰিচৰ্য্যাৰ বাবে আমাৰ জ্যেষ্ঠ পালক এচ. চাম ছেলভা ৰাজে নতুন নতুন দৰ্শনৰ আশীৰ্বাদৰ বাবে।

এপ্ৰিল ১৮ ঃ পৃথিৱীৰ সকলো দেশৰ ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী, মুখ্যমন্ত্ৰী আৰু মন্ত্ৰীসকলৰ বাবে প্ৰাৰ্থনা কৰক।

(চতুৰ্থ পৃষ্ঠাৰ পৰা)

আশীৰ্বাদবোৰক উপভোগ কৰিব দিব আৰু এই বাধাবোৰৰ ওপৰত স্বৰ্গদূতবোৰ বহি যাব। আপুনি ঈশ্বৰৰ প্ৰৱেশদ্বাৰৰ ওচৰত আছে, মনক দৃঢ় কৰক, অতি সোনকালে আপোনাৰ শোকবিলাক আনন্দত পৰিণত হ'ব!

## আমাৰ ভুল নীতিবোৰ!

ঈশ্বৰৰ সন্তানবিলাক, আনন্দিত হোৱা! আপোনাৰ পথত যিকোনো বাধা আহিলেও সেইবোৰ গুচাবলৈ যীচু খ্ৰীষ্টৰ অধিক শক্তি আছে। পৃথিৱীত থকা যিকোনো মানুহৰ হাতত মানৱ জাতিৰ আশীৰ্বাদৰ চাবিকাঠিবোৰ নাই। এই চাবিকাঠিবোৰ কেৱল আমাৰ প্ৰভু যীচুখ্ৰীষ্টৰ হাততহে আছে। আপোনাৰ সকলো দুখ-কষ্টবোৰ তেওঁৰ হাতত দি দিয়ক, যদি আপুনি তেওঁৰপৰা আঁতৰি যায় তেন্তে আপুনি আপোনাৰ জীৱনত অনেক দুখ-কষ্ট আনিব, আপোনালোকৰ কিছুমানে ঈশ্বৰৰ পৰিচৰ্য্যাত আৰু নিজ ব্যক্তিগত জীৱনত বিশ্বাসৰ পৰা খহি পৰিছে। এইটো এটা ডাঙৰ ভুল। ঈশ্বৰে আপোনাক দৰিদ্ৰতাৰ পৰা আৰু গভীৰ গাঁতৰ পৰা তুলিছিল আৰু ওখ ঠাইবোৰত বহুৱাইছিল, তেন্তে আপুনি এতিয়া কেনেকৈ অস্বীকাৰ কৰিব পাৰে? এই ভুলবোৰ আৰু পুনৰাই নকৰিবলৈ সাৱধান হওক, পাপ স্বীকাৰ কৰক! তেহে আপোনাৰ শোকবোৰ নিশ্চয়ে আনন্দত পৰিণত হ'ব!





## প্ৰভুৱে হেৰুৱাবিলাকক বিচাৰে!

প্ৰভু যীচু তৃতীয়দিনা মৃত্যুৰপৰা জী উঠিছিল। তথাপিও শিষ্যবিলাকে তেওঁলোকৰ পুৰণি ব্যৱসায় মাছ ধৰা কামলৈ গুচি গ'ল, ই এক বিভ্ৰান্তিকৰ বিষয়। এতিয়াও প্ৰভুৱে তেওঁৰ প্ৰেমক দেখুৱাই আছে, আমি এতিয়া কোৱাৰ দৰে তিবিৰিয়াৰ সাগৰত মাছ ধৰিবৰ বাবে গুচি গ'ল। সেই সময়ত প্ৰভুৱে তেওঁলোকক পৰিদৰ্শন কৰি ক'লে, "হেৰা বোপাহঁত, তোমালোকৰ লগত কিবা খোৱা বস্তু আছেনে?"

যদিও শিষ্যবিলাকে অতি দুখ-কষ্ট কৰিলে কিন্তু মাছ ধৰিব নোৱাৰিলে। মই দেখিছো কিছুমান মানুহে পৰিচৰ্য্যা কৰিম বুলি হাতত লয় আৰু পাছত কিছুমান কাৰণ দেখুৱাই পৰিচৰ্য্যা ত্যাগ কৰে আৰু জাগতিক ব্যৱসায়ত লিপ্ত হয়

৮ পৃষ্ঠাত চাওঁক


## নহিমিয়া বাইবেল সন্ধ্যা মহাবিদ্যালয়

চেপাক আৰু সন্তোষাপুৰম, চেন্নাই

মাধ্যম ঃ তামিল

ATA Regd. Candidate for Membership NEHEMIAH BIBLE COLLEGE CHENNAI ECHO OF HIS CALL Estd.: 1969

যোৱা ৫৩ বছৰ ধৰি আন্তৰাষ্ট্ৰীয় জ্যেষ্ঠ পালকসকল আৰু খ্ৰীষ্টিয়ান নেতাসকলৰ দ্বাৰা অনুমোদন প্ৰাপ্ত! ATA

**প্ৰমাণ পত্ৰ পাঠ্যক্ৰম ঃ এবছৰীয়া**

**ডিপ্লমা ইন থিয়ল'জি ঃ দুবছৰীয়া**

অৰ্হতা ঃ দশম শ্ৰেণী উত্তীৰ্ণ বা অধিক

নামভৰ্তিৰ বাবে সোনকাল কৰক!

**Contact : The Chairman, Nehemiah Bible College.**

10, MOHAMMED ABDULLAH 2ND STREET, BELLS ROAD, CHEPAUK, CHENNAI - 600 005, INDIA.

Phone : (+91-44) 2852 8282, Cell : (+91) 98410 71852 / 95661 31858

E.mail : sam@echoofhiscall.org / Website : www.echoofhiscall.org

## অনুগ্ৰহ কৰি আমাৰ মুখ্য কাৰ্য্যালয়ৰ পৰিচৰ্য্যবিলাকৰ বাবে প্ৰাৰ্থনা কৰক

১। প্ৰাৰ্থনা সেৱা ঃ ২৪ ঘণ্টা
২। **বিব্লিকৰ** - বাইবেল সম্বন্ধীয় যোগাযোগ প্ৰশিক্ষণ ঃ ইংৰাজী, হিন্দী আৰু তামিল।
৩। **তেওঁৰ আহবানৰ প্ৰতিধ্বনি** আলোচনী ঃ
ইংৰাজী, তামিল, মালায়ালম, তেলেগু, হিন্দী, কানাড়া, মাৰাঠী, গুজৰাটী, বেঙ্গলী, উৰিয়া, নেপালী, অসমীয়া, পঞ্জাৱী; উৰ্দু, সিংহালী আৰু আফ্ৰিকান।
৪। নহিমিয়া বাইবেল মহাবিদ্যালয় (দুটা শাখা)।
৫। ঈশ্বৰ বিষয়ক যোগাযোগৰ পাঠ্যক্ৰম ঃ ইংৰাজী আৰু তামিল।
৬। প্ৰধান আজ্ঞাৰ অংশীদাৰসকল
৭। প্ৰশিক্ষণ কাৰ্য্যসূচীবোৰ।
৮। সভা।
৯। পত্ৰিকা পৰিচৰ্য্যা - স্থিৰভাৱে অনুসৰণ কৰা।
১০। শুভবাৰ্ত্তা মুদ্ৰণ - ছপাশালা প্ৰকাশ কৰা।
১১। চেইণ্ট পৌল মেট্ৰিকুলেশ্বন স্কুল - গ্ৰাম্য ইংৰাজী উচ্চ মাধ্যমিক বিদ্যালয়।
১২। দেওবৰীয়া স্কুল ঃ পুৱা ৮.৩০, বিয়লি ৪.০০ দেওবাৰ
১৩। তামিল উপাসনা ঃ পুৱা ৫.৩০,৭.০০ আৰু ১০.০০ দেওবাৰ
১৪। মালায়ালম প্ৰাৰ্থনা সভা ঃ আবেলি ২.০০ দেওবাৰ
১৫। তেলেগু উপাসনা ঃ আবেলি ৪.০০ দেওবাৰ
১৬। হিন্দী উপাসনা ঃ আবেলি ৫.০০ দেওবাৰ
১৭। ইংৰাজী আৰু তামিল সেৱা ঃ সন্ধ্যা ৬.০০ বজাত দেওবাৰ
১৮। পালকসকলৰ পৰামৰ্শ ঃ আবেলি ৪.০০ বজাত দেওবাৰ
১৯। মহিলাসকলৰ প্ৰাৰ্থনা সভা ঃ সন্ধ্যা ৫.৩০ বজাত বুধবাৰ
২০। মধ্য সপ্তাহৰ বাইবেল অধ্যয়ন ঃ সন্ধ্যা ৬.৩০ বজাত বুধবাৰ
২১। পুৰুষসকলৰ বিশেষ উপাসনা ঃ গধূলি ৭.০০ বজাত শুক্ৰবাৰ
২২। কৰ্ম্মকৰ্ত্তা সকলৰ সভা ঃ সন্ধ্যা ৬.০০ বজাত শনিবাৰ
২৩। গৃহ সভা ঃ সন্ধ্যা ৬.৩০ বজাত সোমবাৰ আৰু মঙ্গলবাৰ
২৪। বিশেষ প্ৰভু ভোজ ঃ পুৱা ৫.৩০ প্ৰত্যেক মাহৰ প্ৰথম দিনত
২৫। পালকসকলৰ নিৰীক্ষণ সভা ঃ সন্ধ্যা ৫.৩০ প্ৰত্যেক মাহৰ প্ৰথম শনিবাৰ
২৬। অভিভাৱক সকলৰ প্ৰাৰ্থনা সভা ঃ আবেলি ৪-০০ বজাত প্ৰথম দেওবাৰ
২৭। নিশাৰ প্ৰাৰ্থনা ঃ গধূলি ৯.৩০ দ্বিতীয় শুক্ৰবাৰ
২৮। উপবাস প্ৰাৰ্থনা ঃ পুৱা ৯.৩০ তৃতীয় শনিবাৰ
২৯। প্ৰভু ভোজ ঃ দ্বিতীয় দেওবাৰৰ উপাসনাত
৩০। পুৱাৰ উপাসনা ঃ পুৱা ৫.৩০ বজাত দৈনিক
৩১। কৰ্মচাৰী সকলৰ উপাসনা ঃ পুৱা ৯.০০ টা দৈনিক
৩২। কাৰ্য্যালয় ঃ পুৱা ৯.০০ টাৰ পৰা ৰাতি ৯.০০লৈ (দেওবাৰৰ বাদে)।

## ডাক বিভাগৰ জৰিয়তে তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ পাঠ্যক্ৰম কেৱল ভাৰতীয় প্ৰাৰ্থীসকলৰ বাবে

### ১। বিব্লিকৰ

বাইবেলৰ সত্যতাৰ ওপৰত ভিত্তি কৰি আমি ইংৰাজী ৫৭ পৃষ্ঠা, হিন্দী ৭৬ পৃষ্ঠা আৰু তামিলত ৯৬ পৃষ্ঠাৰ ডাক বিভাগৰ জৰিয়তে পাঠ্যক্ৰম আগবঢ়াইছো। আপোনাৰ বাবে নতুন জীৱন - নামেৰে এখন পাঠ্যক্ৰমৰ কিতাপ লাভ কৰিব। এই পাঠ্যক্ৰমৰ অন্তত, আপুনি এখন চাৰ্টিফিকেট লাভ কৰিব। ইয়াৰ বাবে কোনো নিৰ্দিষ্ট মাচুলৰ প্ৰয়োজন নহ'ব। আপুনি আশীৰ্বাদ প্ৰাপ্ত হ'ব।

### ২। থিয়'লজিকেল যোগাযোগৰ পাঠ্যক্ৰম

পালকসকল, প্ৰচাৰকসকল আৰু খ্ৰীষ্টিয়ান নেতাসকল আৰু সাধাৰণ লোকৰ বাবেও থিয়'লজিকেল যোগাযোগ পাঠ্যক্ৰম যাক উন্নত দুৰত্বৰ শিক্ষা বোলা হয়। ইংৰাজীত ৫৩৭ পৃষ্ঠাৰ আৰু তামিলত ৬৫২ পৃষ্ঠাৰ যিসকলৰ ঈশ্বৰৰ পৰিচৰ্য্যা কৰিবলৈ ইচ্ছুক লʼব পাৰিব। ১০০০ টকাৰ মাচুল লোৱা হ'ব। ১৪৯ পাঠৰ ৭ খন পুস্তক পঠিওৱা হ'ব। **চাৰ্টিফিকেট ইন মিনিষ্ট্ৰি** বঁটা দিয়া হ'ব। ঈশ্বৰে আপোনাক আশীৰ্বাদ কৰক!

*অধিক জানিবৰ বাবে আমালৈ আজিয়েই লিখক*

**The Chairman, Nehemiah Bible College,**
Echo of His Call, Post Box 2957
CHEPAUK, CHENNAI - 600 005.
Ph.: (044) 2852 8282, 2852 9293, 2854 7766,
Cell : 98410 71852, 95661 31858
E.mail : biblecor@yahoo.co.in

## মাহেকীয়া আলোচনী তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি বিনামূল্য পাবলৈ এটি সুন্দৰ সুযোগ

যদিহে আপুনি আপোনাৰ বন্ধুবৰ্গৰ/আত্মীয়ৰ ঠিকনা ডাকৰ যোগেদি, পত্ৰৰ যোগেদি, ই-মেইল, হোৱাটচ এপৰ জৰিয়তে আমালৈ পঠিয়াই, আমি তেওঁলোকলৈ বিনামূল্যে তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি আলোচনী পঠিয়াই দিম।

## কৰ ৰেহাই

ইখ অব হিজ কল, এডুকেচ্‌নেল ট্ৰাষ্টলৈ কোনো ব্যক্তিগতভাৱে অথবা সংস্থানৰ যোগেদি বৰঙণি দিলে Income Tax Actৰ চেকশ্বন 80 G দ্বাৰা কৰ ৰেহাই হ'ব। ইয়াৰ বাবে কাৰ্য্যালয়ৰ পৰা ৰচিদ দিয়া হ'ব। অনুগ্ৰহ কৰি আপোনাৰ চেক/ড্ৰাফ্‌ট/মণি অৰ্ডাৰ "ECHO OF HIS CALL EDUCATIONAL TRUST" নামলৈ পঠিয়াওক।

| | | |
|---|---|---|
| **Account Name** | : | **ECHO OF HIS CALL EDUCATIONAL TRUST** |
| **Account Number** | : | **1023 2923 805** |
| **Bank Name** | : | **STATE BANK OF INDIA** |
| **Branch** | : | **TRIPLICANE, CHENNAI - 600 005** |
| **IFSC Code** | : | **SBIN 0000249** |
| **SWIFT Code** | : | **SBI NIN BB 455** |



# গৰাহৰ পৰা ৰাজগৃহলৈ
## PIT TO PALACE

(পালক এচ, চাম ছেলভা ৰাজৰ জীৱনৰ অভিজ্ঞতা)

**"যিজনে পঢ়ে, তেওঁ বুজক" মথি ২৪ ঃ ১৫**

# ঐশ্বৰিক পৰিদৰ্শন !
## DIVINE VISITATION!

ঈশ্বৰৰ অনুগ্ৰহৰ দ্বাৰাই ১৯৭১ চনত চেপাক, চেন্নাইত থকা অখ্ৰীষ্টিয়ান লোকবিলাকৰ বাবে প্ৰভুৱে মোক এটা বোজা দিছিল। এই অঞ্চলত বসবাস কৰা লোকসকল ভাল লোক আছিল আৰু তেওঁলোকে ঈশ্বৰত গভীৰ বিশ্বাস ৰাখিছিল। তেওঁলোক কঠোৰ পৰিশ্ৰম কৰা লোক আছিল আৰু দিনে নিশাই তেওঁলোকে পৰিশ্ৰম কৰিছিল। চেপাকত অনেক তাৎপৰ্যপূৰ্ণ ঠাই আছে, অনেক চিনেমা ঘৰ আছে, ক্ৰিকেট ষ্টেডিয়াম,পুলিচ থানা, পৃথিৱীৰ দ্বিতীয় দীঘলীয়া ধুনীয়া সাগৰৰ পাৰ, মেৰিনা বীচ আছে, কামাৰাজাৰ পথ আছে যাক ৰয়েল ৰোড বুলিও কোৱা হয়, বহুত ব্যস্ত, বহুত দীঘল আৰু বিখ্যাত মাউন্ট ৰোড আছে, চেক্ৰেটেৰিয়াট আছে, আটাইতকৈ গুৰত্বপূৰ্ণ ৰেল ষ্টেচন আছে, যাক এগমোৰ ষ্টেচন আৰু চেন্টেল ষ্টেচন বুলি কোৱা হয়। বহুত চৰকাৰী কাৰ্য্যালয় আছে, কুভাম নৈ আছে, বিখ্যাত চানছম গীৰ্জাঘৰ আছে, প্ৰেচিডেন্সী কলেজ আছে, আন্না মেমৰিয়েল অট্টালিকা আদি আছে। এইটো এটা পুৰণি চেন্নাইৰ (মাদ্ৰাচ) গুৰুত্বপূৰ্ণ অংশ হয়। এই অঞ্চলৰ অতি দৰিদ্ৰ, অতি ধনী আৰু শিক্ষিত লোকসকলৰ আত্মিক জীৱনৰ বাবে মই বহুত বোজা লৈছিলো।

গতিকে, মই মোৰ দুজন ঈশ্বৰৰ সহকৰ্মীৰ সৈতে প্ৰতি নিশা ৮ বজাৰ পৰা ১০ বজালৈকে প্ৰাৰ্থনা কৰিবলৈ আৰম্ভ কৰিছিলো। তেওঁলোকৰ এজন আছিল ভাই, আই চন্দ্ৰ সিং, যিজনে এতিয়া পণ্ডিচেৰীত শিল্পপতি হৈ আছে। আনজন আছিল ভাই, আই. মজেচ পাক্কিয়া মান্টি, বৰ্তমান তেওঁ এতিয়া চেন্নাইত এজন বিখ্যাত ব্যৱসায়ী হিচাপে জনাজাত। আমি মহাত্মা গান্ধীৰ প্ৰতিমূৰ্ত্তিৰ পাছফালে আঁঠু লৈ প্ৰাৰ্থনা কৰিছিলো। আমি উপলব্ধি কৰিলো যে চিনেমাবোৰে মানুহক জাগতিকত ডুবাই দিছে , আমি প্ৰাৰ্থনা কৰিলো যাতে ঈশ্বৰে সকলো চিনেমা ঘৰবোৰ গুচাই দিব বা বন্ধ কৰি দিব।

কি যে আচৰিত বিষয়ঙ্গ সত্য কথাটো কৈছোঙ্গ ঈশ্বৰে আমাৰ প্ৰাৰ্থনাৰ উত্তৰ দিছিল। কিছুমান চিনেমা ঘৰ যেনেঃ পেৰাগন থিয়েটাৰ, ষ্টাৰ থিয়েটাৰ, ইলবিস্বটন থিয়েটাৰ, দেৱী থিয়েটাৰ, চান্তি থিয়েটাৰ, আদা থিয়েটাৰ, চিথ্ৰা থিয়েটাৰ বিলাক বন্ধ হৈ গৈছিল। তেতিয়া যিবিলাকে চিনেমা চোৱাত বলিয়া হৈ আছিল আৰু যিবিলাকে মাংসিক জীৱনত চলি আছিল। তেওঁবিলাকলৈ আমি শুভবাৰ্তা দিব পাৰিলো। তেওঁলোকৰ বহুতে যীচুখ্ৰীষ্টক গ্ৰহণ কৰিলে আৰু এতিয়া পবিত্ৰ জীৱন যাপন কৰি আছে। কিন্তু সেই অঞ্চলত কোনো গীৰ্জাঘৰ নাছিল। নতুন বিশ্বাসীসকলক ইয়াৰ কোনো মণ্ডলীলৈ যাবলৈকো ক'ব পৰা নাছিলো। আমি ভাৱিছিলো এই অঞ্চলত এখন মণ্ডলী স্থাপন কৰিব নোৱাৰিম। ১৯৮০ চনত চেপাকত চাৰ্চ অফ্ গড ইন ইণ্ডিয়াৰ শাখা মণ্ডলী এখন আৰম্ভ কৰিবলৈ সমৰ্থ হ'লো। কিন্তু দেওবাৰে জীৱিত ঈশ্বৰক আৰাধনা কৰিবলৈ গীৰ্জালৈ আহিবলৈ কোনোৱেও সাহস কৰা নাছিল। মোৰ ভাৰ্য্যা আৰু মোৰ কন্যা, যি গৰাকী সেই সময়ত কেঁচুৱা হৈ আছিল মোৰ সৈতে প্ৰায় ৫ বছৰ ধৰি কেৱল আমিহে উপাসনা কৰি আছিলো। মই মোৰ একৰডিয়ন (এবিধ বাদ্য যন্ত্ৰ) বজাইছিলো আৰু প্ৰচাৰ কৰিছিলো। তাৰ বাবে মোক বহুত লোকে বিৰোধ কৰিছিল।

এদিন পুৱা ৮ বজাত মই গীৰ্জাৰ চৌহদ পৰিস্কাৰ কৰিলো আৰু উপাসনা আৰম্ভ কৰাৰো সময় হৈছিল। যদিও মই সেই গীৰ্জাঘৰৰ অঞ্চলত উপাসনা কৰিবলৈ আয়োজন কৰিছিলো, মই ভাবি ভাবি হতাশ হৈছিলো, কিয়নো কোনেও উপাসনালৈ নাহিব। গতিকে, মই মোৰ শোৱা কোঠাত বিশ্ৰাম কৰিবলৈ ইচ্ছা কৰিলো আৰু মই তাত সোমাই মোৰ চকু বন্ধ কৰিলো। মোৰ টোপনি অহা নাছিল। তেতিয়া মই কিবা ধৰণৰ এটা ধ্যানত গুচি গ'লো আৰু এটা সপোন দেখিলো।

মই সপোনটো এনেধৰণৰ আছিল, মোৰ ঘৰখন সম্পূৰ্ণ উজ্জ্বল পোহৰৰে পৰিপূৰ্ণ হৈ আছিল। মোৰ ঘৰখনৰ ভিতৰত এটা মিঠা সুগন্ধি ভাঁহি থকা মই অনুবৰ কৰিব পাৰিছিলো। অকস্মাতে এজন ৫০ বছৰ বয়সৰ মানুহে সেই অঞ্চলত প্ৰৱেশ কৰিলে, য'ত মই উপাসনা আৰম্ভ কৰিবলৈ যুগুত কৰিছিলো। তেওঁ আটাই লাইটবোৰ জ্বলালে আৰু ফেনবোৰ চলালে। তেতিয়া তেওঁ আঠু কাঢ়িলে আৰু লাহে লাহে প্ৰাৰ্থনা কৰিবলৈ আৰম্ভ কৰিলে। তেতিয়া মই দেখিবলৈ পালো যে সেই ঠাইখন মানুহৰে ভৰি পৰিলে।

মই ততালিকে উঠিলো, মোৰ ভাৰ্য্যা আৰু জীয়াৰীক মাতিলো। যেতিয়া আমি গীৰ্জাঘৰত প্ৰাৰ্থনা কৰিবলৈ আৰম্ভ কৰিলো মই উপলব্ধি কৰিলো যে, যিজন মানুহে তাত ইতিমধ্যে প্ৰাৰ্থনা কৰি আছিল অদৃশ্য হৈ গ'ল। মই আৰু



*Rev. Dr. Bevin Lawrence & Mrs. Serena Bevin*

মোৰ ভাৰ্যাই মিলি আমাৰ পাপবোৰ স্বীকাৰ কৰিলো আৰু আমি আৰাধনা কৰিবলৈ আৰম্ভ কৰিলো।

কেইমিনিট মানৰ ভিতৰত এজন ভাই তেওঁৰ, ভাৰ্য্যা আৰু তেওঁলোকৰ পুত্ৰ সকলোৱে বগা সাজ পৰিধান কৰিছিল, তেওঁলোকে আহি আমাৰ লগতে আঁঠু লৈ বহিল। এই ভাই জনেই ৰেভাঃ ডাঃ ৰেভিন লাউৰেঞ্চ, তেওঁ এতিয়া বহুত ধৰণৰ পৰিচৰ্য্যা কৰি আছে। কদাই স্কানালত তেওঁৰ মুখ্য কাৰ্য্যালয় আছিল। তেওঁ এজন মেডিকেল ডাক্টৰ আৰু এজন বিচপ হয়। তেওঁৰ ভাৰ্য্যা শ্ৰীমতী চেৰেনা বেভিন, এতিয়া আমাৰ ইখ অফ হীজ কলৰ জ্যেষ্ঠ সহকাৰী সম্পাদক হয়। একেলগে তেওঁলোকে বহুত পৰিচৰ্য্যা কৰি আছে।

সেইদিনাৰ পৰা মই সঠিক সময়ত মোৰ আটাই উপাসনাসমূহক মানুহ আহিলেও নাহিলেও আৰম্ভ কৰি দিওঁ। এইদৰে মই মোৰ সকলো সহকৰ্মী আৰু কলেজৰ ছাত্ৰ-ছাত্ৰীসকলক এনে কৰিবলৈ শিক্ষা দিওঁ। ❖❖❖❖❖

*....Contd. from page 6*

কিন্তু তেওঁলোকৰ শেষ অৱস্থা অতি বেয়া হৈ যায়। কোনেও এনে ভুলবোৰ কৰিব নালাগে।

তথাপি প্ৰভুৱে তেওঁলোকক মাছ ধৰিবলৈ এটা ভাল উপায় দেখুৱালে আৰু শিষ্যবিলাকেও তেওঁ কোৱাৰ দৰেই কৰিলে। তেওঁ এজন উচ্চ গৌৰৱান্বিত ত্ৰাণকৰ্তা যীচু খ্ৰীষ্ট হয়, তেওঁ আপোনক মনোনীত কৰিছে, উপহাৰ দিছে, বৰদান দিছে আৰু আপোনাক তুলিছে, আপোনাৰ প্ৰাৰ্থনাৰ দ্বাৰাই কিমান মানুহৰ শৰীৰৰ পৰা ভুতক খেদা গৈছে? কেতিয়াও ভাল নোহোৱা কিমান ৰোগীয়া লোকে আৰোগ্য পাইছে? কিছুমান সমস্যাৰ বাবে বা কিছুমান জাগতিক হেঁচাৰ বাবে আপুনি ঈশ্বৰৰ প্ৰেমৰ পৰা পলাই গৈছেনে?

## অলপ সময়ৰ বাবে আপোনাৰ জীৱনৰ বিষয়ে ভাবি চাওক!

আপোনাক আৰু আন লোকবিলাকক আঘাত সনা সমস্যাবোৰৰ পৰা ঈশ্বৰে কিদৰে উদ্ধাৰ কৰিছিল? যেতিয়া আপুনি ৰোগ, ব্যৰ্থতা আৰু অসুবিধাবোৰৰ দ্বাৰাই পীড়িত হৈ আছিল, ভাবি চাওঁক ঈশ্বৰে তেওঁৰ আচৰিত কৰ্মৰ দ্বাৰাই কিদৰে উদ্ধাৰ কৰিছিল? যদি আপুনি তেওঁৰ আশীৰ্বাদক এবাৰ উপভোগ কৰিছে, তেন্তে ইয়াৰ অৰ্থ এইয়ে নহয় যে ঈশ্বৰ আপোনাৰ লগত আছে আৰু আপোনাক দয়া কৰে? অনুগ্ৰহ কৰি তেওঁক ত্যাগ নকৰিব আৰু আপোনাৰ জীৱনত তেওঁক প্ৰথম স্থান দিয়ক। আপোনাক শোক আনন্দত পৰিণত হ'ব।




আমি আমাৰ জীৱনত প্ৰতিদিনেই নানান ধৰণৰ টৌ-ধুমুহাৰ সন্মুখীন হওঁ, সেই ধুমুহাবোৰ বিভিন্ন দিশৰ পৰা আহে, বিভিন্ন ধৰণৰ মানুহৰ পৰা বেলেগ বেলেগ গতিত আহে। আমি ধুমুহা, বতাহ, ঘূৰ্ণী বতাহ আদিৰ সন্মুখীন হওঁ। আহক আমি বিভিন্ন ধৰণৰ ধুমুহাৰ বিষয়ে চাওঁ, এইবোৰে যেতিয়া আমাক আঘাত কৰে আমাৰ জীৱনত কি ধৰণে আঘাত কৰে আৰু আমি ইয়াক ঈশ্বৰৰ শক্তিৰ দ্বাৰাই আমি কি ধৰণে উদ্ধাৰ পাব পাৰো।

পৰিস্থিতি অতি বেয়া হোৱাৰ আগেয়েই আমি কাৰ্য্য কৰিব লাগে। পৰিস্থিতিয়ে আমাক আক্ৰমণ কৰা আৰু আমাৰ হাতৰ পৰা ওলাই যোৱা এই দুটাৰ মাজত এটা স্থান (সময়) আছে। আমি প্ৰত্যেক বস্তুক আমাৰ অধীনত অনাত ঈশ্বৰে তেওঁৰ অনুগ্ৰহ দিয়াত সহায় কৰে। সকলো জ্ঞানেৰে আৰু সাৱধানেৰে আমি নিয়ন্ত্ৰণ কৰাটো ঈশ্বৰে বিচাৰে, মই ইয়াক ধুমুহা বুলি কৈছো, এই ধুমুহা হৈছে যি বস্তুবোৰ মানুহৰ দ্বাৰাই আমাৰ মনলৈ সমস্যা আনে, যদি আমি এই ধুমুহাবোৰ বাঢ়ি গৈছে বুলি বোধগম্য কৰিব নোৱাৰো আৰু যদি যত্ন নলও তেন্তে আমি ইয়াত ডুবি যাম, সেয়ে আমাৰ প্ৰভু যীচুখ্ৰীষ্টই যোহন ৯:৪ পদত ৰাতি অহাৰ কথা কৈছে। সেই ৰাতি অহাৰ আগেয়ে তেওঁৰ কাৰ্য সম্পূৰ্ণ হোৱাটো বিচাৰে। তেৰো সেইদৰে কৰিছিল। চয়তানে আমাক গ্ৰাস কৰিব বিচাৰি আছে (১ পিতৰ ৫:৮)। ঈশ্বৰে যে আপোনাৰ জীৱনৰ ওপৰত সম্পূৰ্ণৰূপে নিয়ন্ত্ৰণ কৰি আছে ইয়াকে মনত ৰাখি আপোনাৰ সকলো

## বিশেষ জাননী

### আমাক কিছুমান মাননীভিত্তিক প্ৰতিনিধিসকলৰ প্ৰয়োজন হৈছে

পলমলৈ আমি জানিবলৈ পাইছো যে সিংহালা, নেপালী, উৰ্দু আৰু আফ্ৰিকান ভাষাত তেওঁ আহবানৰ প্ৰতিধ্বনি আলোচনীখনৰ পঢ়ুৱৈৰ সংখ্যা যথেষ্টখিনি হ্ৰাস পাইছে। হ'ব পাৰে ইয়াৰ কাৰণ আমাৰ কিছুমান পুৰণি বন্ধুসকলৰ মৃত্যু ঘটিছে বা সম্ভৱত তেওঁলোকৰ বাসস্থানৰ ঠিকনা বদলি হৈছে। আমি আমাৰ পঢ়ুৱৈ সকলৰ সংখ্যা বৃদ্ধি কৰিবলৈ উপায় বিছাৰি আছে, প্ৰচেষ্টাৰ এটি পৰিমাপৰ মতে, আমি নেপালী, উৰ্দু, সিংহালা আৰু আফ্ৰিকান ভাষাৰ মাননী দি কিছুমান প্ৰতিনিধিসকলক ব্যৱহাৰ কৰিব বিচাৰছো।

১। তেওঁলোকৰ ভাষাত আলোচনীখনৰ বাবে অধিক পঢ়ুৱৈসকলক যোগাদান কৰাব।

২। আগবাঢ়ি আহি আৰু অধিক কপিবোৰ ছপা কৰিবলৈ তেওঁলোকৰ নিজ দেশ/স্থানীয় পঢ়ুৱৈসকললৈ আলোচনী পঠিয়াবলৈ কাৰ্য কৰিব।

৩। এনে কিছুমান মাননী লোৱা প্ৰতিনিধিসকলক যোগাই আমাক সহায় কৰক যাতে তেওঁলোকে নতুন নতুন ঠিকনা আমালৈ যোগাব আৰু বন্ধুবৰ্গলৈ আগবঢ়াব।

RNI.No.TNASS/2000/2335, Postal Regn.No.TN/CH/(C)/204/21-23 WPP.No.TN/PMG(CCR)/WPP-262/21-23

প্ৰত্যাহ্বানবোৰৰ সন্মুখীন হওঁক। ক্ৰোধিতনহ'ব, দুখিত নহ'ব সকলো সময়তে ঈশ্বৰৰ প্ৰতিজ্ঞাবোৰক পুনৰ আৰম্ভ কৰক। ঈশ্বৰ মোৰ লগত আছে আৰু মোৰ বাবে আছে, মৱেই সেইজন যিজনে সকলো পৰিস্থিতিত জয়যুক্ত হ'ওঁ। স্বৰ্গৰ ঈশ্বৰে আপোনাক আশীৰ্বাদ কৰক!

************

## OUR BANK DETAILS:

### *1. Bank : State Bank of India*

| | | |
|---|---|---|
| Branch | : | **Triplicane, Chennai-5** |
| Name | : | **S. Sam Selva Raj** |
| A/C No. | : | **1023 2934 679** |
| IFSC | : | **SBIN 00 00 249** |
| SWIFT CODE | : | **SBI NIN BB 455** |

### *2. Bank : ICICI Bank*

| | | |
|---|---|---|
| Branch | : | **Anna Salai, Chennai-6** |
| Name | : | **Echo of His Call** |
| A/C No. | : | **6038 0502 2319** |
| IFSC | : | **ICIC 000 6038** |

### *3. Bank : State Bank of India*

**(This Account is for Tax Exemption for Indians only )**

| | | |
|---|---|---|
| Branch | : | **Triplicane, Chennai-5** |
| Name | : | **Echo of His Call Educational Trust** |
| A/C No. | : | **1023 2923 805** |
| IFSC | : | **SBIN 00 00 249** |

**Google Pay: 98410 71858**
**PayPal : SAM SELVA RAJ**
*****
**E.mail : sam@echoofhiscall.org**

# তেওঁৰ আহবানৰ প্ৰতিধ্বনি

**১৬ টা ভাষাত মাহেকীয়া আলোচনী, বাইবেল কলেজ, ডাকযোগে পাঠ্যক্ৰম, মণ্ডলী স্থাপন কাৰ্য, গ্ৰাম্য ইংৰাজী হাইস্কুল, ছপাশাল, প্ৰাৰ্থনা সভা, শুভবাৰ্তামূলক সভা, সামাজিক সেৱা ইত্যাদি**

বাৰ্ষিক বৰঙণি ১০০/- টকা    জীৱিত বৰঙণি ২০০০/- টকা

The multifarious activities of **Echo of His Call Ministries** are supported by the free-will offerings and donations of God's children like you. You may support **Echo of His Call** and its activities as the Lord leads you. We need your help to send forth the Gospel to the unreached people and plant Churches.

If you would like to receive **ECHO OF HIS CALL** magazines regularly, please write to us with your e.mail Id and Cell Phone number. Whenever you change your postal or e.mail addresses, please do inform us your old and new addresses.

**Echo of His Call** is available in 16 languages in our website also. You can read them by going into the site as well as downloading them and get blessed.

Your letters, prayer requests and your financial helps (**Money Orders, Cheques or Demand Drafts, NEFT, PayPal (Sam Selva Raj, sam@echoofhiscall.org) PhonePe (98410 71858), Gpay (98410 71858), Western Union, MoneyGram, etc.**) to **ECHO OF HIS CALL** may please be sent to the address below.

Please send your **Land Phone / Mobile Phone Numbers and E.mail addresses** for updation.


## ECHO OF HIS CALL

10, MOHAMMED ABDULLAH 2ND STREET, CHEPAUK, CHENNAI - 600 005, INDIA
PH: (+91-44) 2852 8282, 2852 9293, 2854 7766/ Cell: (+91) 98410 71852, 95661 31858 / E.mails: sam@echoofhiscall.org / biblecor@yahoo.co.in
Websites: www.echoofhiscall.org / www.stpaulsmatriculation.com


**YOU CAN SEND YOUR DONATION ONLINE ALSO**


**Regd. with the RNI under No. TNASS/2000/2335**
**Licenced to post without pre-payment**
**Postal Regn. No. TN/CH (C) /204/21-23**
**Licence No. WPP. No. TN/PMG(CCR)/WPP-262/21-23**
**Date of Publication: Second week of every month**
**Date of Posting : 11th & 12th of every month**
**Posted at "Egmore RMS / 1 Patrika Channel"**
**on 13th MARCH 2023**
**If un-delivered please return to:**
**ECHO OF HIS CALL (ASSAMESE)**
**P.O. Box No. 2957, Chepauk, Chennai - 600 005, INDIA.**
**Phone: (+ 91- 44) 2852 8282, 2852 9293, 2854 7766**


*JESUS LOVES YOU!*

**To**

*GOD BLESS YOU!*

Owned and published by **S. Sam Selva Raj** from New No. 8 & 10, Old No.18 & 19, Mohammed Abdullah 2nd Street, Chepauk, Chennai-600 005 and printed by **S. Sam Selva Raj** at **Echo of His Call Printers,** New No. 8 & 10, Old No.18 & 19, Mohammed Abdullah 2nd Street, Chepauk, Chennai-600 005. Editor: **S. Sam Selva Raj.**